NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কয় যে, নাৰী নিৰ্যাতন এটা অক্ষমনীয় অপৰাধ আৰু এই অপৰাধ কৰাসকলক ৰেহাই দিয়া নহ'ব।

২। প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণক সৰল সুঠাম হৈ থকাত গুৰুত্ব দিয়াৰ লগতে পুষ্টিকৰ আহাৰ আৰু জীৱনশৈলীত গুৰুত্ব দিবলৈ আহ্বান জনায়।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে জন্মাষ্টমীৰ প্ৰাকক্ষণত সকলো নাগৰিক তথা প্ৰবাসী ভাৰতীয়লৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি ছত্তিশগড়ৰ নৱা ৰায়পুৰত মাদকদ্ৰব্য নিয়ন্ত্ৰন ব্যুৰোৰ আঞ্চলিক কাৰ্যালয় ভাৰ্চুৱেল পদ্ধতিৰে মুকলি কৰে।

*আৰু*

৫। ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মান্দাভিয়াই অহা ২৮ আগষ্টত আৰম্ভ হ'বলগীয়া পেৰিছ্ পেৰালিম্পিকত অংশগ্ৰহণ কৰা ভাৰতীয় খেলুৱৈৰ দলটোক সমৰ্থন আগবঢ়াবলৈ দেশবাসীলৈ আহ্বান জনাইছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ জলগাঁৱত আয়োজিত এটা অনুষ্ঠানত ১১ লাখ নতুন লাখপতি বাইদেউক প্ৰমাণপত্ৰ প্ৰদান কৰে। প্ৰধানমন্ত্ৰীয়ে লাখপতি বাইদেউসকলক সম্বৰ্ধনা জনোৱাৰ লগতে ব্যৱসায় সন্দৰ্ভত তেওঁলোকৰ সৈতে মত বিনিময়ো কৰে। অনুষ্ঠানত সমাৱেত লোকসকলক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতৰ নাৰী শক্তিয়ে সদায় দেশ আৰু সমাজৰ ভৱিষ্যত নিৰ্মাণ কৰাত বৰঙণি যোগাই আহিছে। মহিলাসকলৰ বাবে এসময়ত নিষিদ্ধ হৈ থকা সকলো দিশ মুকলি কৰাৰ বাবে চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি তেওঁ প্ৰকাশ কৰে। মহিলা সৱলীকৰণৰ লগতে তেওঁলোকৰ নিৰাপত্তাৰ দিশটো চৰকাৰৰ অন্যতম অগ্ৰাধিকাৰ বিষয়বস্তু বুলিও তেওঁ সদৰী কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, নাৰী নিৰ্যাতন এটা অক্ষমনীয় অপৰাধ আৰু এই অপৰাধ কৰাসকলক ৰেহাই দিয়া নহ'ব। তেওঁ লগতে কয় যে, চিকিৎসালয়, বিদ্যালয়, কাৰ্যলয়সমূহ তথা আৰক্ষী প্ৰশাসনৰ দৰে ৰাজহুৱা প্ৰতিষ্ঠানসমূহ এই ক্ষেত্ৰত জবাবদিহী হোৱা উচিত আৰু এই ক্ষেত্ৰত কৰা কোনোধৰণৰ অৱহেলা গ্ৰহণযোগ্য নহয়। শ্ৰী মোদীয়ে কয় যে, মহিলাৰ মৰ্যদা তথা জীৱনৰ সুৰক্ষা চৰকাৰ আৰু সমাজৰ আটাইতকৈ বৃহৎ দায়িত্ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, মহাকাশ খণ্ডৰ সংস্কাৰৰ জৰিয়তে দেশৰ যুৱ সমাজ বহু পৰিমাণে লাভান্বিত হৈছে। আকাশবাণীযোগে প্ৰচাৰিত নিয়মীয়া অনুষ্ঠান মন কী বাতত আজি প্ৰধানমন্ত্ৰীয়ে কয় যে,

সংস্কাৰমূলক কাম-কাজসমূহে উন্নত ভাৰতৰ ভেটি শক্তিশালী কৰিব। তেওঁ কয় যে, ২৩ আগষ্টত দেশবাসীয়ে প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপন কৰিলে আৰু লগতে চন্দ্ৰযান-৩ৰ সাফল্যকো উদযাপন কৰিলে।

প্ৰধানমন্ত্ৰীয়ে স্বাধীনতা দিৱসত দেশবাসীক উদ্দেশ্যি দিয়া ভাষণৰ বিষয়ে উল্লেখ কৰি কয় যে, এইবছৰ লালকিল্লাৰ পৰা তেঁও ৰাজনৈতিক পটভূমি নথকা এক লাখ যুৱক যুৱতীক দেশৰ ৰাজনৈতিক ব্যৱস্থাটোৰ সৈতে জড়িত হবলৈ আহ্বান জনাইছিল। বিকশিত ভাৰত অভিযানত যোগাত্মকভাৱে আত্মনিয়োগ কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে যুৱ সমাজক আহ্বান জনায় আৰু কয় যে এই কথাই যুৱ সমাজৰ লগতে দেশৰ ভৱিষ্যত গঢ়াত সহায় কৰিব।

প্ৰধানমন্ত্ৰীয়ে সন্তোষ প্ৰকাশ কৰি কয় যে, স্বাধীনতা দিৱস এতিয়া এটা সামাজিক মহোৎসৱত পৰিণত হোৱা বুলি দেশৰ প্ৰতিজন লোকে অনুভৱ কৰিব পাৰিছে। তেওঁ অনলাইনত ৰাষ্ট্ৰীয় পতাকা বিক্ৰীয়ে অভিলেখ গঢ়াৰ কথাও উল্লেখ কৰে। ৰাষ্ট্ৰীয় পতাকাক লৈ দেশজুৰি হোৱা উদ্বীপনাই দেশবাসীক একতাৰ ডোলেৰে বন্ধাৰ লগতে এক ভাৰত শ্ৰেষ্ঠ ভাৰতক প্ৰতিফলন কৰিছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

মানুহ আৰু জীৱ-জন্তুৰ আত্মিক বান্ধোনৰ কথা কবলৈ গৈ প্ৰধানমন্ত্ৰীয়ে অসমৰ তিনিচুকীয়া জিলাৰ প্ৰান্তীয় গাওঁ বাৰেকুৰিৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে, এই গাওঁখনত বাসিন্দাসকলে মৰাণ জনগোষ্ঠীয় লোক আৰু তেওঁলোক হলৌ বান্দৰৰ সৈতে মৰমৰ বান্ধোনেৰে সংপৃক্ত হৈ আছে।

একেধৰণৰ আন এটা ঘটনাৰ উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, অৰুণাচল প্ৰদেশৰ একাংশ যুৱক-যুৱতীয়ে বন্য জন্তুক যাতে শিং  আৰু দাঁতৰ বাবে কোনোবাই হত্যা কৰিব নোৱাৰে, তাৰ বাবে থ্ৰি ডি প্ৰিন্টিং প্ৰযুক্তি ব্যৱহাৰ কৰিছে।

প্ৰধানমন্ত্ৰীয়ে বৰষুণৰ পানী সংৰক্ষণ আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ জনসাধাৰণক আহ্বান জনায়। লগতে মাতৃৰ নামত এটা গছপুলি ৰোৱা অভিযানতো অংশগ্ৰহণ কৰিবলৈ তেওঁ সকলোকে আহ্বান জনায়।

প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণক সৰল সুঠাম হৈ থকাত গুৰুত্ব দিয়ে আৰু এই ক্ষেত্ৰত পুষ্টিকৰ আহাৰ আৰু জীৱনশৈলীত গুৰুত্ব দিবলৈ আহ্বান জনায়। যোৱা বছৰ পোষণ অভিযানক নতুন শিক্ষানীতিৰ সৈতে সংযুক্ত কৰা বুলি তেঁও উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে কেইদিনমানৰ পিছতে পেৰিছত পেৰালিম্পিক আৰম্ভ হ'ব আৰু ইয়াত দেশৰ হৈ অংশগ্ৰহণ কৰিবলগীয়া খেলুৱৈসকলৰ বাবে ১৪০ কোটি ভাৰতীয়ই প্ৰাৰ্থনা জনাইছে। শ্ৰীমোদীয়ে সমাগত উৎসৱ জন্মাষ্টমি, গণেশ চতুৰ্থী, অনাম, মিলাদ উন নবী, আৰু তেলেগু ভাষা দিৱসৰ বাবে দেশবাসীক আগতীয়াকৈ শুভেচ্ছা জনায়।

ooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জন্মাষ্টমীৰ প্ৰাকক্ষণত সকলো নাগৰিক তথা প্ৰবাসী ভাৰতীয়লৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাৰ জৰিয়তে ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, এই উৎসৱে আমাক ভগৱান শ্ৰীকৃষ্ণৰ ঐশ্বৰিক আদৰ্শৰ প্ৰতি নিজকে সমৰ্পিত কৰাৰ বাবে উৎসাহিত কৰে। শ্ৰীমতী মুৰ্মুৱে শ্ৰীমদভাগৱৎ গীতাত থকা শ্ৰীকৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনক সমগ্ৰ মানৱ জাতিৰ বাবে উত্তৰণ আৰু প্ৰেৰণাৰ শাশ্বত উৎস আখ্যা দিয়ে। শ্ৰীমতী মুৰ্মুৱে ভগৱান শ্ৰীকৃষ্ণৰ আদৰ্শেৰে পৰিচালিত হ'বলৈ সকলোকে আহ্বান জনোৱাৰ লগতে দেশৰ সমৃদ্ধি তথা প্ৰগতিৰ বাবে কাম কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ কয়।

ইপিনে, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি জন্মাষ্টমীৰ প্ৰাক্‌ক্ষণত দেশৰ সকলো নাগৰিকক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰী ধনখড়ে কয় যে, জন্মাষ্টমী হৈছে এটা গভীৰ আধ্যাত্মিক তাৎপৰ্যৰ দিন। কাৰণ এই দিনটোতেই ঐশ্বৰিক প্ৰেম, প্ৰজ্ঞা আৰু ধাৰ্মিকতাক প্ৰতিনিধিত্ব কৰা ভগৱান শ্ৰীকৃষ্ণৰ জন্ম হৈছিল। উপৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, এই উৎসৱে ধৰ্মৰ চিৰন্তন মূল্যবোধ, অশুভ শক্তিক নাশ কৰি সত্য তথা কৰুণাৰ জীৱন-যাপন কৰাৰ গুৰুত্ব সম্পৰ্কে আমাক সোঁৱৰাই দিয়ে। শ্ৰী ধনখড়ে নাগৰিকসকলক সৎপন্থা অৱলম্বন কৰি সকলোৰে কল্যাণৰ দিশত কাম কৰাৰ প্ৰতিশ্ৰুতি ল'বলৈও আহ্বান জনায়।

০০০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি ছত্তিশগড়ৰ নৱা ৰায়পুৰত মাদকদ্ৰব্য নিয়ন্ত্ৰন ব্যুৰোৰ আঞ্চলিক কাৰ্যালয় ভাৰ্চুৱেল পদ্ধতিৰে মুকলি কৰে। ইয়াৰ সৈতে সংগতি ৰাখি ছত্তিশগড়ৰ মাদকদ্ৰব্যৰ পৰিস্থিতি সন্দৰ্ভত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকতো কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে অধ্যক্ষতা কৰে। ছত্তিশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণুদেৱ সাই, গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায় আৰু ছত্তিশগড়ৰ উপ-মুখ্যমন্ত্ৰী ৱিজয় শৰ্মা তথা ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া বৈঠকত উপস্থিত থাকে। অনুষ্ঠানত শ্ৰী শ্বাহে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০৪৭ চনৰ পূৰ্বে দেশক মাদকদ্ৰব্য মুক্ত কৰি তোলাৰ বাবে লোৱা প্ৰতিশ্ৰুতি সম্প্ৰতি প্ৰতিগৰাকী নাগৰিকৰ প্ৰতিশ্ৰুতি হৈ পৰিছে। তেওঁ কয় যে, মাদক দ্ৰব্যৰ অবৈধ বেহা ৰাষ্ট্ৰীয় সুৰক্ষাৰ প্ৰতি ভাবুকি। ইয়াৰ জৰিয়তে উপাৰ্জন হোৱা ধনে সন্ত্ৰাসবাদ তথা বাওঁপন্থী উগ্ৰপন্থাক উৎসাহিত কৰাৰ লগতে দেশৰ অৰ্থনীতিক দুৰ্বল কৰি পেলায়। মাদক দ্ৰব্যৰ অবৈধ বেহা সমূলঞ্চে নিৰ্মূল কৰাৰ প্ৰয়োজন সন্দৰ্ভতো তেওঁ আলোকপাত কৰে। তেওঁ কয় যে, চৰকাৰে ইয়াৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰি আগুৱাই যাব। গৃহমন্ত্ৰীগৰাকীয়ে নৱৰায়পুৰত মাতৃৰ নামত এজোপা গছ অভিযানৰ অধীনত পিপ্‌ল ফৰ পিপল অৰ্থাৎ জনসাধাৰণৰ বাবে আহত অভিযান মুকলি কৰে। এই আঁচনিৰ অধীনত অঞ্চলটোত এক লাখতকৈও অধিক স্থানীয় প্ৰজাতিৰ গছপুলি ৰোপণ কৰা হ'ব। ২১ হাজাৰতকৈও অধিক আঁহত গছৰ পুলি অতিমধ্যে ৰোপণ কৰা হৈছে।

০০০০০০০

ৰাছিয়াৰ বেলগ'ৰ'ড অবলাষ্ট অঞ্চলৰ ৰাকিটনৈয়ে গাঁৱত আজি  ইউক্ৰেইনৰ সশস্ত্ৰ বাহিনীয়ে চলোৱা এটা আক্ৰমণত পাঁচ গৰাকী লোক নিহত হোৱাৰ লগতে ১২ গৰাকী লোক আহত হয়। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই ঘটনাত স্থানীয় আন্তঃগাঁথনিৰ বিস্তৰ ক্ষতি হোৱাৰ লগতে ১০ টা বাসগৃহ, দুটা বাণিজ্যিক ভৱন আৰু চাৰিখন যাত্ৰীবাহী বাহন বিধবস্ত হয়। প্ৰশাসনৰ তৰফৰ পৰা দিনৰ ভাগত ঘৰে ঘৰে পৰিদৰ্শন অভিযান চলোৱা হ'ব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০

পাকিস্তানত আজি সংঘটিত দুটা পৃথক বাছ দুৰ্ঘটনাত ১১ গৰাকী তীৰ্থ যাত্ৰীকে ধৰি ৩৭ গৰাকী লোক নিহত হোৱাৰ লগতে কেইবাগৰাকীও লোক আহত হয়। বেলুচিস্তানৰ মাক্ৰন উপকূলীয় ঘাইপথত সংঘটিত প্ৰথমটো দুৰ্ঘটনাত ১১ গৰাকী লোক নিহত হোৱাৰ লগতে ৩৫ গৰাকী লোক আহত হয়। বাছখনত ইৰানৰ পৰা পাঞ্জাব প্ৰদেশলৈ ছিয়া তীৰ্থযাত্ৰীসকল উভতি আহি আছিল। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি দুৰ্ঘটনাগ্ৰস্ত বাছখনৰ অধিক সংখ্যক যাত্ৰীয়ে লাহোৰ আৰু গুজৰনৱালাৰ। পাক অধিকৃত কাশ্মীৰত সংঘটিত আন এটা দুৰ্ঘটনাত ৩৫ গৰাকী

লোক কঢ়িয়াই নিয়া এখন বাছ খাৰৈত বাগৰি পৰে। এই ঘটনাত ২৬ গৰাকী লোক নিহত হোৱাৰ লগতে তিনি গৰাকী লোক আহত হয়। দুৰ্ঘটনাস্থলীত আৰক্ষী প্ৰশাসনৰ লগতে উদ্ধাৰকাৰী বাহিনী উপস্থিত হয়। ৰাষ্ট্ৰপতি আছিফ আলী জৰ্দাৰীয়ে দুৰ্ঘটনাত নিহত লোকসকলৰ বাবে শোক প্ৰকাশ কৰে।

০০০০০০০

ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মান্দাভিয়াই অহা ২৮ আগষ্টত আৰম্ভ হ'বলগীয়া পেৰিছ পেৰালিম্পিকত অংশগ্ৰহণ কৰা ভাৰতীয় খেলুৱৈৰ দলটোক সমৰ্থন আগবঢ়াবলৈ দেশবাসীলৈ আহ্বান জনাইছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ড০ মান্দাভিয়াই কয় যে, ৮৪ গৰাকী খেলুৱৈৰে সমৃদ্ধ দেশৰ এতিয়ালৈ আটাইতকৈ বৃহৎ দলটোৱে সমাগত পেৰালিম্পিকত অংশগ্ৰহণ কৰিব। তেওঁ দেশবাসীক Cheer4Bharat শ্লোগানেৰে খেলুৱৈসকলক উৎসাহিত কৰিবলৈ আহ্বান জনায়।

০০০০০০০

সমাপ্ত